লা ইলা-হা ইল্লাল্লা-হু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুল্কু অলাহুল হাম্দু, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব তেওঁৰেই আৰু প্ৰশংসাও কেৱল তেওঁৰেই। তেওঁ সকলো ক্ষেত্ৰতে ক্ষমতাৱান।) যিয়ে এইটো দৈনিক এশবাৰ পাঠ কৰিব

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "লা ইলা-হা ইল্লাল্লা-হু অহদাহু লা শ্বাৰীকা লাহু, লাহুল মুল্কু অলাহুল হাম্দু, অহুৱা আলা কুল্লি শ্বাইয়িন ক্বাদীৰ। (আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই। ৰাজত্ব তেওঁৰেই আৰু প্ৰশংসাও কেৱল তেওঁৰেই। তেওঁ সকলো ক্ষেত্ৰতে ক্ষমতাৱান।) যিয়ে এইটো দৈনিক এশবাৰ পাঠ কৰিব, তাৰ বাবে দহটা দাস মুক্ত কৰাৰ সমপৰিমাণ ছোৱাব আছে। লগতে তাৰ বাবে এশটা ছোৱাব লিপিবদ্ধ কৰা হ'ব আৰু এশটা গুনাহ মোচন কৰা হ'ব। লগতে সেইদিনা তাক সন্ধিয়ালৈকে চয়তানৰ পৰা সুৰক্ষিত থকাৰ নিৰাপত্তা প্ৰদান কৰা হয়। সেই ব্যক্তিয়ে যিটো আমল কৰিছে, তাতকৈ
উত্তম আমল আৰু কোনেও লৈ উপস্থিত হ'ব নোৱাৰিব, কিন্তু সেই ব্যক্তিৰ কথা সুকীয়া যিয়ে ইয়াতকৈও অধিক আমল কৰিছে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত কৈছে যে, যিয়ে এইটো পাঠ কৰিবঃ আল্লাহৰ বাহিৰে কোনো সত্য ইলাহ (পূজ্য) নাই, তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই – তেওঁৰ উলুহিয়্যতত (উপাসনাত), ৰবুবিয়্যতত (প্ৰভুত্বত), লগতে তেওঁৰ নাম আৰু গুণাৱলীত। ৰাজত্ব একমাত্ৰ তেওঁৰেই, নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা কেৱল তেওঁৰেই। সকলো সৃষ্টি আৰু তাকদীৰ (ভাগ্য নিৰ্ধাৰণ)ৰ বাবে প্ৰশংসা কেৱল তেওঁৰেই। তেওঁ সকলো বস্তুৰ ওপৰত পূৰ্ণ ক্ষমতাৱান, কোনো বাধা প্ৰদানকাৰী নাই বা প্ৰতিহত কৰিব পৰাও কোনো নাই। তেওঁ যিটো ইচ্ছা নকৰে, সেইটো কেতিয়াও নহয়। যিয়ে এইটো দৈনিক ১০০ বাৰ পাঠ কৰে, আল্লাহৰ ওচৰত তেওঁৰ বাবে ১০ জন দাস মুক্ত কৰাৰ সমান ছোৱাব লিখা হয়, লগতে ১০০টা নেকী (পুণ্য) লিপিবদ্ধ কৰা হয় আৰু জান্নাতত মৰ্যাদা উন্নীত কৰা হয়। এইদৰে ১০০টা গুনাহ মোচন কৰা হয়, তথা হ্ৰাস কৰা হয়। লগতে এইটো তাৰ বাবে সেই দিনা সূৰ্য্য অস্ত যোৱালৈকে চয়তানৰ প্ৰলোভন, আধিপত্য আদিৰ পৰা সুৰক্ষা, হিফাজত আৰু নিৰাপত্তা তথা দুৰ্গৰ কাম কৰিব। কিয়ামতৰ দিনা এই ব্যক্তিজনে যি লৈ আহিব, তাতকৈ উত্তম বস্তু বেলেগ কোনেও নানিব, কিন্তু সেই ব্যক্তিৰ বাহিৰে যিয়ে ইয়াতকৈও বেছি আমল কৰিছে।

http://www.sunnah.global/hadeeth/as/show/65905